# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 18-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। সমগ্ৰ বিশ্বই ভাৰতক এখন নিৰ্ভৰযোগ্য আৰু দায়িত্বশীল অংশীদাৰ হিচাপে গন্য কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আজি লক্ষ্ণৌৰ ব্ৰান্ধ'ছ এৰ'স্পেচত নিৰ্মিত প্ৰথমটো গোটৰ ব্ৰান্ধ'ছ ক্ষেপণাস্ত্ৰসমূহ মুকলি কৰিব।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি বিহাৰৰ চাৰণত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ পাতনি মেলে।

৪। পাকিস্তানে যুদ্ধবিৰতি ভংগ কৰি আফগানিস্তান সীমান্তৰ পাক্তিকা প্ৰদেশত যোৱা নিশা চলোৱা বিমান আক্ৰমণত কমেও ১০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হয়।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত বৰ্ষাবিঘ্নিত এখন খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ১০ উইকেট পৰাস্ত কৰে।

০০০০০

সমগ্ৰ বিশ্বই ভাৰতক এখন নিৰ্ভৰযোগ্য আৰু দায়িত্বশীল অংশীদাৰ হিচাপে গন্য কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সন্ধিয়া এটা ব্যক্তিগত সংবাদ গোষ্ঠীয়ে আয়োজন কৰা বিশ্ব সন্মিলনত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে বৈদ্যুতিনৰ পৰা ভেষজলৈকে আৰু অট'মোবাইলৰ পৰা মোবাইল নিৰ্মাণলৈকে দেশৰ বিভিন্ন খণ্ডত বিনিয়োগৰ ঢৌ উঠিছে। এই বিনিয়োগসমূহে ভাৰতক গোলকীয় যোগান শৃংখলাৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি উঠাত সহায় কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ বিকাশে বৰ্তমান গোলকীয় সুযোগৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত তেওঁ শেহতীয়া ই এফ টি এ বাণিজ্য চুক্তিৰ কথা উল্লেখ কৰি কয়, যে এই চুক্তিৰ অধীনত ইউৰোপীয় দেশসমূহে ভাৰতত ১০ হাজাৰ কোটি ডলাৰ বিনিয়োগৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছে। ইয়াৰ ফলত বহুসংখ্যক নিয়োগৰ সুযোগ সৃষ্টি হ'ব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ শেহতীয়াকৈ ভালেসংখ্যক ব্যৱসায় প্ৰতিনিধিৰ সৈতে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰৰ ভাৰত ভ্ৰমণৰ প্ৰসংগ উল্লেখ কৰি কয়, যে এই ভ্ৰমণে সমগ্ৰ বিশ্বই ভাৰতত সুযোগ প্ৰত্যক্ষ কৰাকে প্ৰতিফলিত কৰে। তেওঁ লগতে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সৈতে ভাৰতৰ বাণিজ্য ৬ শতাংশলৈ বৃদ্ধি পোৱাৰ কথাও জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এতিয়া ভাৰত স্তব্ধ হৈ নাথায় বা ইয়াৰ বিকাশৰ গতিও কম নহয়। তেওঁ কয়, যে ১৪০ কোটি ভাৰতীয়ই একেলগে বিকাশৰ দিশত অগ্ৰসৰ হ'ব। শ্ৰীমোদীয়ে বিভিন্ন সমস্যাৰে জৰ্জৰিত বিশ্বৰ সন্মুখত অপ্ৰতিৰোধ্য ভাৰতৰ চৰ্চাৰ বিষয়টো প্ৰাকৃতিক আৰু সময়োপযোগী বুলি মন্তব্য কৰে। তেওঁ কয়, যে বিগত ১১ বছৰত ভাৰতে প্ৰতিটো প্ৰত্যাহ্বান পাৰ কৰিছে। ছেমি কণ্ডাক্টৰ চিপ্‌ছৰ পৰা আৰম্ভ কৰি জাহাজ নিৰ্মাণলৈকে সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰশীল ভাৰত

সন্দৰ্ভত আত্মবিশ্বাস বৃদ্ধি পাইছে। সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত নিৰৱ হৈ থকা নাই বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ইয়াৰ পৰিৱৰ্তে চাৰ্জিকেল ষ্ট্ৰাইক, বিমান আক্ৰমণ আৰু সিন্দূৰৰ দৰে অভিযানৰ জৰিয়তে ভাৰতে দৃঢ়তাৰে ইয়াৰ প্ৰত্যুত্তৰ দিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে মাওবাদী সন্ত্ৰাসবাদ সন্দৰ্ভত কয়, যে ২০১৪ চনৰ পৰাই তেওঁৰ চৰকাৰে ভুল পথে পৰিচালিত যুৱচামক মূল সুঁতিলৈ ঘূৰাই অনাৰ বাবে কাম কৰি আছে। দেশৰ পৰা সম্পূৰ্ণৰূপে নক্সালবাদ আৰু মাওবাদ মুক্ত হ'বলৈ বেছি দিন নাই বুলি জনসাধাৰণক আশ্বাস দি তেওঁ এয়া তেওঁলোকৰ চৰকাৰৰ গেৰেণ্টি বুলি উল্লেখ কৰে। তেওঁ কয়, যে ১১ বছৰ পূৰ্বে ১২৫ খনৰো অধিক জিলা মাওবাদী সন্ত্ৰাসৰ কবলত থকাৰ বিপৰীতে বৰ্তমান এনে জিলাৰ সংখ্যা ১১ খনলৈ হ্ৰাস পাইছে আৰু ইয়াৰ ভিতৰত কেৱল তিনিখন জিলাত নক্সালৰ সমস্যা আছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আজি লক্ষ্ণৌৰ ব্ৰাহ্ম'ছ এৰ'স্পেচত নিৰ্মিত প্ৰথমটো গোটৰ ব্ৰাহ্ম'ছ ক্ষেপণাস্ত্ৰসমূহ মুকলি কৰিব। লক্ষ্ণৌ ব্ৰাহ্ম'ছ এৰ'স্পেচ হৈছে উত্তৰ প্ৰদেশৰ প্ৰতিৰক্ষা কৰিড'ৰ যত থলুৱা প্ৰযুক্তিৰে ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ পৰা পৰীক্ষণলৈকে সকলো সুবিধা আছে। এই অনুষ্ঠানতে প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিং আৰু মুখ্যমন্ত্ৰী আদিত্যনাথে বুষ্টাৰ বুইল্ডিঙৰ আৰু বুষ্টাৰ ডকিং প্ৰদশনীৰো সাক্ষী হ'ব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কালি বিহাৰৰ চাৰণত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ পাতনি মেলে। তেওঁ চাৰণত তৰাইয়াৰ বিধায়ক জনক সিং আৰু অমন'ৰ প্ৰাৰ্থী কৃষ্ণ কুমাৰ মণ্টুৰ হৈ প্ৰচাৰ চলায়। চাৰাণৰ তৰাইয়াত এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীশ্বাহে বিগত দুটা দশক ধৰি ৰাজ্যখনৰ আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে এন ডি এ মিত্ৰজোঁট নীতিশ কুমাৰৰ নেতৃত্বত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৱদানৰ বিষয়ে আলোকপাত কৰি শ্ৰীশ্বাহে তেওঁক দুখীয়াৰ বাবে বৰদান বুলি অভিহিত কৰে। তেওঁ লগতে অপাৰেচন সিন্দুৰক সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ব্যৱস্থা বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে শ্ৰীশ্বাহে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ সৈতে তেওঁৰ পাটনাৰ বাসগৃহত এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে বিহাৰত ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

আফগান সীমান্তৰ সমীপত কালি সন্ত্ৰাসবাদীয়ে কৰা আত্মঘাতী আক্ৰমণত ৭ জন পাকিস্তানী জোৱান নিহত হয়। পাকিস্তানৰ সুৰক্ষা বিষয়াই জনোৱা মতে উত্তৰ ৱাজিৰিস্তানৰ এটা পাকিস্তানী সেনা শিবিৰত সন্ত্ৰাসবাদীয়ে কৰা আক্ৰমণত এই জোৱানকেইজনৰ মৃত্যু হোৱাৰ লগতে কমেও ১৩ জন আহত হয়। বিষয়াগৰাকীয়ে কয়, যে এজন সন্ত্ৰাসবাদীয়ে বিস্ফোৰক সামগ্ৰীভৰ্তি এখন বাহনেৰে সেনা শিবিৰৰ চৌহদৰ বেৰত খুন্দা মাৰে। আন দুজনে শিবিৰত প্ৰৱেশৰ চেষ্টা কৰাৰ সময়ত সেনাৰ গুলীত তেওঁলোকৰ মৃত্যু হয়।

ইপিনে পাকিস্তানে যুদ্ধবিৰতি ভংগ কৰি সীমান্তৰ পাক্তিকা প্ৰদেশত যোৱা নিশা চলোৱা বিমান আক্ৰমণত কমেও ১০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হয়। দুয়োখন দেশৰ সীমান্তত যোৱা এসপ্তাহ ধৰি চলা সংঘৰ্ষত বহুসংখ্যক জোৱান আৰু নাগৰিকৰ মৃত্যু হোৱাৰ পাছত ৪৮

ঘণ্টাৰ যুদ্ধ বিৰতি ঘোষণা কৰা হৈছিল। তালিবানৰ এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে পাকিস্তানে যুদ্ধ বিৰতি ভংগ কৰি পাক্তিকা প্ৰদেশৰ তিনিটা স্থানত বোমা পেলায়। আফগানিস্তানে এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। পাকিস্তানৰ আক্ৰমণত নিহতসকলৰ ভিতৰত কমেও তিনিগৰাকী স্থানীয় ক্ৰিকেট খেলুৱৈ আছিল বুলি উল্লেখ কৰে বিষয়াগৰাকীয়ে কয়, যে ইয়াৰ ফলত আফগানিস্তান, পাকিস্তান আৰু শ্ৰীলংকাৰ মাজত অহা মাহত  হ'বলগীয়া ত্ৰিদেশীয় ক্ৰিকেট শৃংখলাত অংশগ্ৰহণৰ পৰা আফগানিস্তান বিৰত থাকিব।

পাকিস্তানে যোৱা নিশা আফগানিস্তানৰ আৰ্গুন জিলাৰ খাণ্ডাৰ গাঁৱতো ড্ৰোনেৰে আক্ৰমণ চলায়।

ooooo

বি এছ্ এন এলে সমগ্ৰ দেশৰ নতুন গ্ৰাহকসকলক উৎসৱৰ বতৰত ৰেহাই হিচাপে এটকীয়া দীপাৱলী ফ'ৰ-জি প্লেন মুকলি কৰিছে। এই মাহৰ ১৫ তাৰিখৰ পৰা অহা ১৫ নৱেম্বৰলৈ এই ফ'ৰ-জি প্লেনৰ ম্যাদ থাকিব। এই সময়ছোৱাত গ্ৰাহকসকলে ৩০ দিনীয়া বিনামূলীয়া মোবাইল সেৱা, আনলিমিটেড ফোন কলৰ সুবিধা, প্ৰতিদিনে 2GB মোবাইল ডাটা আৰু এশটা এছ্ এম এছ্ প্ৰেৰণৰ সুবিধা লাভ কৰিব। উৎসৱকালীন এই বিশেষ ৰেহাই আঁচনি ঘোষণা কৰি নিগমৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক এ ৰবাৰ্ট জে ৰবীয়ে কয়, যে সমগ্ৰ দেশে একেলগে উৎসৱ উদযাপন কৰাৰ সময়ত এই এটকাৰ দীপাৱলী বনাঞ্জা প্লেনে মেক-ইন-ইণ্ডিয়া ফ'ৰ-জি প্লেনৰ সুবিধা লাভ কৰিব। তদুপৰি বি এছ্ এন এলে উৎসৱ উপলক্ষে অন্যান্য গ্ৰাহকসকলৰ বাবে সুবিধা হোৱাকৈও পাঁচটা নতুন প্লেন মুকলি কৰিছে।

ooooo

বায়ুৰ গুণগত মান ব্যৱস্থাপনা আয়োগে কালি সমাগত শীতকালীন ঋতুৰ সময়ছোৱাত বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ল'বলগীয়া প্ৰস্তুতিৰ  পৰ্যালোচনা কৰে। আয়োগৰ পঞ্চবিংশ বৈঠকত গ্ৰেড সঁহাৰি কাৰ্য পৰিকল্পনা প্ৰণয়ন আৰু যান-বাহনৰ পৰা নিৰ্গত ধোঁৱা, ঔদ্যোগিক ধোঁৱা আৰু নৰা জ্বলোৱাৰ ফলত হোৱা ধোঁৱা নিয়ন্ত্ৰণৰ সন্দৰ্ভতো আলোচনা কৰা হয়।

ooooo

আই চি চি মহিলা বিশ্বকাপ প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ১০ উইকেট পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ১২১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ ৫টা বলত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰি ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১০৫ ৰান সংগ্ৰহ কৰে। বৰষুণৰ বাবে ৫০ অভাৰৰ খেলখন ২০ অভাৰলৈ হ্ৰাস কৰা হয় আৰু ডি এল এছ্ পদ্ধতি অনুসৰি দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১২১ ৰানৰ সংশোধিত লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হয়। দক্ষিণ আফ্ৰিকাৰ অধিনায়ক লৌৰা উলভাৰ্দতে ৪৭টা বলত ৬০ ৰান কৰাৰ লগতে নংকুলুলেকু ম্লাবাই ৩টা উইকেট দখল কৰে। শ্ৰীলংকাৰ ভিষ্মী গুনাৰত্নেই ৩৪ ৰান কৰে। লৌৰা উলভাৰ্দতক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি নিউজিলেণ্ড পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত